মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ চাৰিবছৰীয়া স্নাতক পাঠ্যক্রম



অসমীয়া বিভাগ

মাধৱদেৱ বিশ্ববিদ্যালয়

FYUGP

Sl No	SEMESTER	MAJ/MIN	COURSE/PAPER	CREDITS	COURSE / PAPER TITLE
1	UG 1st	MAJOR/MINOR	ASMM/ASMN 101	4	অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস (Introduction to the History of Assamese Literature)
		AEC		2	যোগ্যতাবৰ্দ্ধনকাৰী বাধ্যতামূলক পাঠ্যক্ৰম (Ability Enhancement Compulsory Course, AECC)
2	UG 2nd	MAJOR/ MINOR	ASMM/ASMN 201	4	অসমীয়া ভাষা আৰু লিপিৰ পৰিচয়মূলক ইতিহাস (Introduction to the History of the Assamese Language and Script)
		AEC		4	অসমীয়া ব্যাকৰণ, অভিধান আৰু পৰিভাষা (Assamese Grammar, Lexicon and Terminology)
3	UG 3rd	MAJOR/ MINOR	ASMM/ASMN 301	4	অসমীয়া সংস্কৃতিৰ স্বৰূপ (Nature of Assamese Culture)
		MAJOR	ASMM		অসমীয়া কবিতাৰ চানেকি (selection from Assamese poetry)
4	UG 4th	Major & Minor	ASMM/ ASMN 401	4	সাহিত্য সমালোচনা (Literary Criticism)
		Major	ASMM 402	4	সাহিত্যতত্ত্ব (Poetics)
		Major	ASMM 403	4	ভাষাবিজ্ঞানৰ পৰিচয় (Introduction to Linguistics)
		Major	ASMM 404	4	তুলনামূলক সাহিত্য (Comparative Literature)
5	UG 5th	Major	ASMM 501	4	অসমীয়া গদ্যৰ চানেকি (Selection from Assamese Prose)
		Major	ASMM 502	4	ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা (Indo-Aryan Languages and Assamese)
		Major	ASMM 503	4	অসমীয়া ভাষাতত্ত্ব (Assamese Linguistics)
		Major	ASMM 504	4	ভাৰতীয় সাহিত্যৰ পৰিচয় (Introduction to Indian Literature)
		Minor	ASMN 501	4	ভাষাবিজ্ঞানৰ পৰিচয় (Introduction to Linguistics)

6	UG 6th	Major	ASMM 601	4	অসমীয়া নাটক (Assamese Drama)
		Major	ASMM 602	4	পাশ্চাত্য সাহিত্যতত্ত্ব (Western Literary Theory)
		Major	ASMM 603	4	অসমীয়া কাহিনী সাহিত্য (Assamese Fiction)
		Major	ASMM 604	4	অসমৰ ভাষা আৰু লিপি (Language and Script of Assam)
		Minor	ASMN 601	4	উত্তৰ-পূৰ ভাৰতৰ ভাষা (Languages of North-East India)

FYUGP : 7th, 8th Semester and 1st , 2nd Semester of 2 Years M.A. as per NEP 2020

Sl No	SEMESTER	MAJ/MIN	COURSE/PAPER	CREDITS	COURSE?PAPER TITLE
7	UG 7TH OR PG 1st	MAJ / CORE	ASMM 701/PASC 101	4	RESEARCH METHODOLOGY (গৱেষণা পদ্ধতি)
		MAJ / CORE	ASMM 702/PASC 102	4	অসমীয়া ভাষা: পটভূমি, গঠন আৰু বিকাশ (The Assamese Language : Background, Formation and Development)
		MAJ / CORE	ASMM 703/PASC 103	4	অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি (Trend and Tendencies of Assamese Literature)
		MAJ / CORE	ASMM 704/PASC 104	4	ভাৰতীয় জ্ঞান পৰম্পৰা আৰু ভাৰতীয় নন্দনতত্ত্ব (Indian Knowledge System and Indian Literary Criticism)
		MIN/GE	ASMN 701/PASG 101	4	ভাৰতৰ ভাষিক বৈচিত্র্য (Linguistic Diversity of India)
			SEMINAR/ PRESENTATI/ INTERNSHIP/RESEARCH PROJECT	2	
8	UG 8TH OR PG 2nd	MAJ/ CORE	ASMM 801/ PASC 201	4	সংস্কৃতিৰ অধ্যয়ন (Study of Culture)
		MAJ/ CORE	ASMM 802/ PASC 202	4	অসমীয়া ভাষাৰ গঠন (Structure of Assamese)
		MAJ/ CORE	ASMM 803/ PASC 203	4	বিশ্ব সাহিত্য (World Litterateur)
		MIN/GE	ASMN 801/PASG	4	ভাষাৰ নথিভুক্তকৰণ আৰু পুনৰুজ্জীৱিতকৰণ (Language Documentation and Revitalization)
		PROJECT	Research Project	8	
		FOR UG DEGREE WITH HONOURS			
		MAJ/CORE	ASMM 804/PASC 204		পাশ্চাত্য সাহিত্যতত্ত্ব আৰু সমালোচনা (Western Literary Theory and Criticism)
		Field Work/Project	Field Work/Project	4	

SEMESTER 1

Title of the Course : যোগ্যতাবর্দ্ধনকাৰী বাধ্যতামূলক পাঠ্যক্রম
(Ability Enhancement Compulsory Course, AECC)

Course Code : AECC 101

Nature of the Course : Core

Total Credits : 2

Distribution of Marks : 35 (End Sem) +15 (In-Sem)

Method of Internal Assessment :

Sessional (2) : 10

Group Discussion/ Seminar/Home Assignment: 2.5

Attendance: 2.5

Level of difficulty : 100

প্ৰস্তাৱনা

অসমীয়া ভাষাৰ প্ৰায়োগিক দিশৰ ধাৰণা আৰু গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি এই কাকতখন যুগুত কৰা হৈছে।

উদ্দেশ্য

১। অসমীয়া ভাষাৰ প্ৰায়োগিক দক্ষতা বৃদ্ধি কৰা। প

২। বানান সম্পৰ্কীয় সচেতনতাৰ লগতে ভাষাৰ জতুৱা প্ৰয়োগৰ গুৰুত্ব উপলব্ধি কৰোৱা।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	মৌখিক যোগাযোগ: (ক) বার্তালাপ (বিভিন্ন ব্যক্তি, অনুষ্ঠান) (খ) সাক্ষাৎকাৰ, দলীয় আলোচনা, বক্তৃতা আৰু ঘোষক	১০	৮
২	লিখিত যোগাযোগ: আবেদন, কার্যবিৱৰণী, স্মাৰক পত্ৰ আৰু সম্বৰ্দ্ধনা পত্ৰ	১০	৮
৩	বানান সম্পৰ্কীয় সজাগতা: ণত্ব বিধি, ষত্ব বিধি, চন্দ্ৰবিন্দু, অনুস্বাৰ, ৰেফৰ প্ৰয়োগ আৰু জতুৱা ঠাঁচ	১৫	১৪
	মুঠ	৩৫	৩০

শিকন পৰিণতি

* অসমীয়া ভাষাৰ ব্যৱহাৰিক ক্ষেত্ৰত যোগাযোগৰ দক্ষতা বৃদ্ধি পাব।
* অসমীয়া ভাষাৰ কথন আৰু লেখন দক্ষতাৰ বিকাশ হ'ব।

প্রসংগ পুথি :

যোগাযোগ কলা : নীৰাজনা মহন্ত বেজবৰা

অসমীয়া ভাষাৰ উচ্চাৰণ : গোলোকচন্দ্র গোস্বামী

অসমীয়া ব্যাকৰণ প্রৱেশ : গোলোকচন্দ্র গোস্বামী

নিকা অসমীয়া ভাষা : মহেশ্বৰ নেওগ

অসমীয়া আখৰ জোঁটনি সমীক্ষা : গোলোকচন্দ্র গোস্বামী,

অসমীয়া আখৰ জোঁটনি উপ-সমিতিৰ সিদ্ধান্তসমূহ : অসম সাহিত্য সভা

অসমীয়া ভাষা আৰু ইয়াৰ প্রয়োগ : গৌতম কাকতি আৰু যোগেন তামুলী (সম্পাদনা)

Semester: 1
Course Code : SECASM101
Title of the Course: Personality Development and Inspirational Literature
(ব্যক্তিত্ব বিকাশ আৰু প্ৰেৰণাদায়ক সাহিত্য)
Nature of the Course : Skill Enhancement Course
Total Credits: 03
Distribution of Marks : 70+30

প্ৰস্তাৱনা

ব্যক্তিগত তথা সামূহিক জীৱনত ছাত্ৰ-ছাত্ৰীসকলে যাতে সফলতা লাভ কৰিব পাৰে সেই দিশত গুৰুত্ব উপলব্ধি কৰি এই কাকতখন পাঠ্যপুথিত সন্নিবিষ্ট কৰা হৈছে। এই কাকতখনত অসমীয়া ভাষাত উপলব্ধ গ্ৰন্থ, উক্তি, গীত, কবিতা আদিৰ জৰিয়তে ব্যক্তিত্ব গঠনৰ উপাদান, ব্যক্তিত্ব আৰু প্ৰেৰণাদায়ক সাহিত্যৰ জৰিয়তে ব্যক্তিত্ব বিকাশৰ সম্ভাৱনীয়তা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱা হ'ব।

উদ্দেশ্য

- শিক্ষাৰ্থীৰ ইতিবাচক মনোভাৱ গঢ়ি তোলা।
- ব্যক্তিত্ব গঠনৰ উপাদানসমূহৰ আভাস দিয়া।
- ব্যক্তিত্ব বিকাশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰোৱা।

পাঠ্যক্ৰমৰ শিকন পৰিণতি

LO1: ব্যক্তিত্বৰ সংজ্ঞা, ধাৰণা, বৈশিষ্ট্য আৰু ব্যক্তিত্ব গঠনৰ বিভিন্ন দিশ সম্পৰ্কে জানিব পাৰিব।

LO2: ব্যক্তিত্ব বিকাশত জীৱনী, গীত, কবিতা আৰু উক্তিৰ মাজেৰে প্ৰকাশিত মূল্যবোধ তথা প্ৰেৰণাদায়ক ক্ষেত্ৰসমূহৰ বিষয়ে জানিব পাৰিব।

LO3: নিৰ্বাচিত সাহিত্য-পাঠ আৰু কলাকৰ্মৰ অধ্যয়নৰ জৰিয়তে ইতিবাচক চিন্তা, আত্মবিশ্বাস আৰু নৈতিক মূল্যবোধ বিকশিত হ'ব।

গোট	বিষয়	নম্বৰ বিতৰণ	শ্ৰেণী
১	ব্যক্তিত্বৰ সংজ্ঞা আৰু ধাৰণা	১৫	১০
২	ব্যক্তিত্বসম্পন্ন জীৱন গঢ়াত কলা-শিল্প-সাহিত্যৰ ভূমিকা ক) ব্যক্তিত্ব গঢ়াত জীৱনীমূলক গ্ৰন্থৰ ভূমিকা হোমেন বৰগোহাঞিঃ আত্মানুসন্ধান নিৰুপমা বৰগোহাঞিঃ অভিযাত্ৰী	২০	১৪

৩	প্রেৰণামূলক উক্তি, কবিতা আৰু গীত হীৰেন ভট্টাচার্য ঃ জ্যোতি, সেই জ্যোতি (কবিতা) বিপুলজ্যোতি শইকীয়া ঃ নীলপৰন /১ (কবিতা) ভূপেন হাজৰিকা ঃ অগ্নি যুগৰ ফিৰিঙতি (গীত) জুবিন গার্গ ঃ পোহৰৰ চাকি (গীত)	১৫	১০
৪	:ব্যক্তিত্ব বিকাশ আৰু জীৱন গঢ়াত নির্বাচিত সাহিত্য পাঠ আৰু কলাৰ অধ্যয়ন ক) কামত কৃতিত্ব লভিবৰ সংকেতঃ লক্ষ্মীনাথ বেজবৰুৱা খ) মোৰো এটা সপোন আছিল ঃ ৰুবুল মাউত গ) ভিলেজ ৰকর্ষ্টাছ ঃ ৰীমা দাস	২০	১৪
		৭০	৪৮

আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ : ৩০

আভ্যন্তৰীণ পৰীক্ষা প্রথম আৰু দ্বিতীয় ঃ ১০+১০= ২০

আলোচনা পত্র, গৃহকর্ম, সামূহিক আলোচনা : ০৫

শ্রেণীৰ উপস্থিতি : ০৫

Suggestive Readings:

ব্যক্তিত্ব , সুকুমাৰ কৌশল আৰু যোগাযোগ ঃ নীৰাজনা মহন্ত বেজবৰা, বনলতা, ডিব্রুগড়।

ব্যক্তিত্ব বিকাশৰ ডেৰকুৰি মন্ত্র ঃ প্রাঞ্জল বেজবৰা, বনলতা, ডিব্রুগড়।

ব্যক্তিত্বের বিকাশ : স্বামী বিবেকানন্দ, উদ্বোধন কার্যালয়, কলকাতা।

Personaliy Development: Manju Gupta, Puspak Publications, Dariyaganj, New Delhi.

Soft Skills and Personaliy Development, Pranjal Bezbarah, Banalata, Dibrugarh.

SEMESTER I

Title of the Course : অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস
(Introduction to the History of Assamese Literature)
Course Code : ASMM101 & ASMN 101
Nature of the Course : Major / Minor
Total Credits : 04
Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment :
Sessional (2) : 10+10= 20
Group Discussion/ Seminar/Home Assignment: 5
Attendance: 5
Level of difficulty : 100

প্ৰস্তাৱনা

অসমীয়া সাহিত্যৰ ইতিহাস, ক্ৰমবিকাশ, যুগবিভাজন আদিৰ পৰিচয় পাব পৰাকৈ এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

- অসমীয়া সাহিত্যৰ পটভূমি আৰু মৌখিক সাহিত্যৰ সাধাৰণ জ্ঞান প্ৰদান।
- অসমীয়া সাহিত্যৰ যুগবিভাজনৰ পৰিচয়েৰে ছাত্ৰ-ছাত্ৰীসকলক সমগ্ৰ অসমীয়া সাহিত্যৰ পৰিসৰ আৰু বৈচিত্ৰ্যৰ এক ধাৰণা প্ৰদান কৰা।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
I	অসমীয়া সাহিত্যৰ যুগবিভাজন: সময়সীমা, নামকৰণ আৰু বিভিন্ন ধাৰা সম্পৰ্কে বিভিন্ন মতৰ সংক্ষিপ্ত পৰিচয় আৰু অসমীয়া লোকসাহিত্যৰ পৰিচয়	২০	১৭
II	প্ৰাক্‌শংকৰী যুগ: প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ সাধাৰণ পৰিচয়	১৫	১৩
III	শংকৰীযুগৰ সাহিত্য: শংকৰদেৱ, মাধৱদেৱ আৰু ৰামসৰস্বতীৰ জীৱন আৰু সাহিত্য কৃতি	১৫	১৩
IV	শংকৰোত্তৰ যুগ: ভট্টদেৱ, চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক জ্ঞানৰ সাহিত্য	২০	১৭
		মুঠ ৭০	৬০

শিকন পৰিণতি:

১। অসমীয়া সাহিত্যৰ যুগবিভাজন, যুগৰ নামকৰণ, যুগৰ সময়সীমা নিৰূপন সম্পৰ্কে অৱগত হ'ব।

২। যুগনিৰপেক্ষ সাহিত্যৰ বৰ্তন যোগ্যতা সম্পৰ্কে জ্ঞান লাভ কৰিব।

৩।পুৰণি অসমীয়া সাহিত্যৰ ৰূপ-ৰীতি সম্পৰ্কে সংক্ষিপ্ত পৰিচয় লাভ কৰিব।

প্রসংগ পুথি

অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী : দেৱেন্দ্রনাথ বেজবৰুৱা

অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত : সত্যেন্দ্রনাথ শর্মা

অসমীয়া সাহিত্যৰ ৰূপৰেখা : মহেশ্বৰ নেওগ

অসমীয়া সাহিত্যৰ দৃষ্টিপাত : হেমন্ত কুমাৰ শর্মা

অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা : লীলা গগৈ (সম্পা.)

অসমীয়া জনসাহিত্য : প্রফুল্ল দত্ত গোস্বামী

অসমীয়া সাহিত্যৰ বুৰঞ্জী , প্রথম খণ্ড : বিশ্বেশ্বৰ হাজৰিকা (সম্পা.)

অসমীয়া সাহিত্যৰ বুৰঞ্জী , দ্বিতীয় খণ্ড : শিৱনাথ বর্মন (সম্পা.)

History of Assamese Literature: Birinchi Kumar Baruah

Aspects of Early Assamese Literature: Banikanta Kakati (Ed.)

Background of Modern Assamese Literature: Nagen Saikia

SEMESTER II

Title of the Course : অসমীয়া ব্যাকৰণ, অভিধান, আৰু পৰিভাষা
(Assamese Grammar, Lexicon and Terminology)

Course Code : AECC 201

Nature of the Course : AEC (Core)
Total Credits : 04
Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment	:	
Sessional (2)	:	10+10= 20
Group Discussion/ Seminar/Home Assignment:		5
Attendance	:	5
Level of difficulty	:	100

উদ্দেশ্য

১। অসমীয়া ভাষাৰ গাঁঠনিক দিশৰ বিষয়ে ধাৰণা দিয়া।

২। অসমীয়া ভাষাৰ শব্দ সাধন ব্যৱস্থাৰ আভাস দিয়া।

৩। ভাষাটোৰ অভিধান আৰু ব্যাকৰণৰ লগত পৰিচয় কৰোৱা।

৪। পৰিভাষা সম্পৰ্কীয় ধাৰণাৰ লগেত অসমীয়া ভাষাত ব্যৱহৃত পৰিভাষাৰ ধাৰণা দিয়া।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
গোট ১	অসমীয়া ব্যাকৰণৰ সাধাৰণ পৰিচয়: অসমীয়া ভাষাৰ প্ৰত্যয় - অৱস্থানগত আৰু গুণগত বিভাগ বিভিন্ন প্ৰকাৰৰ প্ৰত্যয়- বচনবাচক, লিঙ্গবাচক, নিৰ্দিষ্টতাবাচক, জোৰবাচক বিভক্তি আৰু বিভক্তিৰ প্ৰকাৰ	১৫	১৩
গোট ২	অসমীয়া ভাষাৰ শব্দ সাধন: সমবৰ্গীয় শব্দ সাধন আৰু বিসমবৰ্গীয় শব্দ সাধন	১৫	১৩
গোট ৩	(ক) অসমীয়া অভিধানৰ সাধাৰণ পৰিচয় (খ) অসমীয়া অভিধানত প্ৰয়োগ হোৱা সংক্ষিপ্ত ৰূপ আৰু অভিধানৰ শব্দক্ৰম	১৫	১৩
গোট ৪	(ক) অসমীয়া ব্যকৰণৰ ইতিহাস, অসমীয়া ভাষাৰ প্ৰাৰম্ভিক স্তৰৰ পৰা বৰ্তমানলৈ ব্যাকৰণ চৰ্চাৰ আভাস (ক) পৰিভাষা ধাৰণা, প্ৰয়োজনীয়তা আৰু প্ৰশাসনিক পৰিভাষাৰ পৰিচয়	১০ ১৫	৮ ১৩
	মুঠ	৭০	

শিকন পৰিণতি:

১। অসমীয়া ভাষাৰ ব্যাকৰণ আৰু গাঠনিক দিশৰ স্পষ্ট ধাৰণা হ'ব।

২। অভিধানৰ ব্যৱহাৰিক জ্ঞান বৃদ্ধি হ'ব।

৩। পৰিভাষাৰ প্ৰায়োগিক দক্ষতা বৃদ্ধি হ'ব।

প্রসঙ্গ পুথি :

অভিধান তত্ত্ব : ৰমেশ পাঠক

আধুনিক আৰু উত্তৰ-আধুনিক পৰিভাষাকোষ : ইমৰান হুছেইন

সাহিত্য সংজ্ঞাকোষ : প্রফুল্ল কটকী

শৰাইঘাট অভিধান : দীনেশ চন্দ্র গোস্বামী (সম্পাদনা)

অসমীয়া ভাষাৰ ব্যাকৰণ : উপেন্দ্রনাথ গোস্বামী

অসমীয়া ব্যাকৰণ প্ৰৱেশ : গোলোকচন্দ্র গোস্বামী

অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ : গোলোকচন্দ্র গোস্বামী

SEMESTER II

Title of the Course : অসমীয়া ভাষা আৰু লিপিৰ পৰিচয়মূলক ইতিহাস
(Introduction to History of Assamese Language and Script)
Course Code : ASMM 201& ASMN 201
Nature of the Course : Major/ Minor
Total Credits : 04
Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment:

Sessional (2)	:	10+10= 20
Group Discussion/ Seminar/Home Assignment:		5
Attendance	:	5
Level of difficulty	:	100

প্রস্তাৱনা

এই কাকতখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাৰ এটা সামগ্ৰিক ধাৰণা লাভ কৰিব। লগতে অসমীয়া লিপিৰ উদ্ভৱ আৰু ইয়াৰ বিকাশ সম্পৰ্কে সম্যক অৱগত হ'ব।

উদ্দেশ্য

১। অসমীয়া ভাষাৰ নামকৰণ, ঔপভাষিক পৰিচয় তথা বৰ্তমান স্থিতি সম্পৰ্কে সম্যক ধাৰণা দিয়া।

২। অসমীয়া ভাষাৰ উদ্ভৱ আৰু এই সন্দৰ্ভত থকা মতসমূহৰ লগত পৰিচয় কৰোৱা।

৩। অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰ আৰু এই স্তৰবোৰৰ প্ৰামাণিক সাক্ষ্যসমূহৰ লগত পৰিচয় কৰোৱা।

৪। অসমীয়া লিপিৰ উদ্ভৱ সম্পৰ্কে সম্যক ধাৰণা দিয়া।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	অসমীয়া ভাষাৰ সাধাৰণ পৰিচয়: ভাষিক নামকৰণ, ভাষিক ক্ষেত্ৰ, ভাষা-ভাষীৰ সংখ্যা, ঔপভাষিক ৰূপ, সাংবিধানিক মৰ্যাদা আৰু সংযোগী ভাষা হিচাপে স্থিতি	১৫	১৩
২	১। অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ: অসমীয়া ভাষাৰ মূল, ভাষাটোৰ উদ্ভৱৰ সময় আৰু উদ্ভৱ সম্পৰ্কীয় মতসমূহৰ চমু পৰিচয় ২। অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰ: প্ৰত্ন অসমীয়া, প্ৰাচীন অসমীয়া, মধ্যযুগৰ অসমীয়া আৰু আধুনিক অসমীয়া	১৫ ১৫	১৩ ১৩
৩	অসমীয়া ভাষা আৰু আৰ্যভিন্ন ভাষাৰ আদান প্ৰদান (ক) অসমীয়া ভাষাত আৰ্যভিন্ন ভাষাৰ উপাদান (খ) অসমৰ আৰ্যভিন্ন ভাষাত অসমীয়া ভাষাৰ উপাদান	১৫	১৩
৪	লিপিৰ ধাৰণা আৰু অসমীয়া লিপি: লিপি, অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ	১০	৮
		মুঠ	৬০

শিকন পৰিণতি :

১। অসমীয়া ভাষাৰ নামকৰণ, উৎপত্তি, ভাষিক সংখ্যা, স্থিতি সম্পর্কে অৱগত হ'ব।

২। অসমীয়া ভাষাৰ ক্রমবিকাশ, ভাষিক সমলৰ আদান-প্রদান সম্পর্কে ধাৰণা লাভ কৰিব।

৩। লিপি, অসমীয়া লিপিৰ উৎপত্তি আৰু ক্রমবিকাশ সম্পর্কে সম্যক আভাস পাব।

প্রসংগ পুথি :

অসমীয়া ভাষাৰ গঠন আৰু বিকাশ: বিশ্বেশ্বৰ হাজৰিকা (অনুবাদ)

অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ: উপেন্দ্রনাথ গোস্বামী

অসমীয়া ভাষা: ভীমকান্ত বৰুৱা

অসমীয়া ভাষাৰ মৌলিক বিচাৰ : দেৱানন্দ ভৰালী

অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ: গোলোকচন্দ্র গোস্বামী

অসমীয়া আৰু অসমৰ ভাষা : বিশ্বজিৎ দাস আৰু ফুকান বসুমতাৰী (সম্পাদনা)

অসমীয়া ভাষাৰ ব্যাকৰণ : উপেন্দ্রনাথ গোস্বামী

অসমীয়া ব্যাকৰণ প্রৱেশ : গোলোকচন্দ্র গোস্বামী

অসমীয়া ভাষাৰ উপভাষা : দীপ্তি ফুকন পাটগিৰি (সম্পাদনা)

উপভাষা আৰু অসমৰ উপভাষা : দীপ্তি ফুকন পাটগিৰি (সম্পাদনা)

উপভাষাবিজ্ঞানৰ ভূমিকা : ৰমেশ পাঠক

অসমীয়া লিপি : উপেন্দ্রনাথ গোস্বামী

অসমীয়াৰ উপভাষা আৰু লিপি : অর্পণা কোঁৱৰ

Assamese, Its Formation and Development : Banikanta Kakati

SEMESTER III

Title of the Course : অসমীয়া সংস্কৃতিৰ স্বৰূপ
(Nature of Assamese Culture)
Course Code : ASMM 301 & ASMN 301
Nature of the Course : Major/Minor
Total Credits: 04
Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment :
Sessional (2) : 10+10= 20
Group Discussion/ Seminar/Home Assignment: 5
Attendance : 5
Level of difficulty : 200

প্ৰস্তাৱনা

এই কাকতখনৰ জৰিয়তে সংস্কৃতিৰ তাত্ত্বিক ধাৰণা দিয়াৰ লগতে অসমীয়া সংস্কৃতিৰ পৰিপুষ্ঠি আৰু বিকাশৰ ক্ষেত্ৰত বিভিন্ন নৃ-গোষ্ঠীয় উপাদানৰ কেনেধৰণৰ আদান-প্ৰদানৰ হৈছে তাৰ আভাস দিয়াৰ প্ৰয়াস কৰা হৈছে। লগতে অসমৰ জনগোষ্ঠীয় পৰম্পৰা আৰু স্থাপত্য-ভাস্কৰ্য সম্পৰ্কে সম্পৰ্কে সম্যক আভাস দিয়াৰ প্ৰয়াস কৰা হৈছে।

উদ্দেশ্য

১। উত্তৰ-পূৰ্বাঞ্চলৰ নৃগোষ্ঠীসমূহৰ ধাৰণা লাভ কৰিব।

২। জাতি-জনগোষ্ঠীসমূহৰ স্বকীয় সংস্কৃতি সম্পৰ্কে আভাস পাব।

৩। সাংস্কৃতিক সমাহৰণ সন্দৰ্ভত ধাৰণা লাভ কৰিব।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান(ঘণ্টা)
১	সংস্কৃতিৰ সংজ্ঞা, স্বৰূপ আৰু উপাদান	১৫	১৩
২	(ক) অসমৰ নৃগোষ্ঠীসমূহৰ পৰিচয় (খ) অসমীয়া সংস্কৃতিৰ সমন্বয়ত বিভিন্ন নৃ-গোষ্ঠীয় উপাদান	২০	১৭
৩	অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকাচাৰ আৰু লোকবিশ্বাস : নিৰ্বাচিত জনগোষ্ঠী- খামতি আৰু দেউৰী	১৫	১৩
৪	অসমৰ পৰম্পৰাগত অয়-অলংকাৰ, সাজপাৰ আৰু স্থাপত্য-ভাস্কৰ্য	২০	১৭
	মুঠ	৭০	

শিকন পৰিণতি

১। সংস্কৃতি সন্দৰ্ভত এটি সামগ্ৰিক ধাৰণা হ'ব।

২। অসমীয়া সংস্কৃতিত ঘটা সমন্বয় তথা অসমৰ বিভিন্ন নৃগোষ্ঠীয় সংস্কৃতিৰ সম্যক ধাৰণা লাভ কৰিব।।

৩। অসমৰ পৰম্পৰাগত অয়-অলংকাৰ তথা স্থাপত্য-ভাস্কৰ্য সম্পৰ্কে অৱগত হ'ব।

প্রসংগ পুথি :

অসমীয়া লোকসংস্কৃতিৰ আভাস : নবীন চন্দ্র শর্মা

অসমৰ সংস্কৃতি : লীলা গগৈ

অসমীয়া ভাষা আৰু সংস্কৃতি : বিৰিঞ্চি কুমাৰ বৰুৱা

অসমৰ মানুহ : ভুৱন মোহন দাস

গহনা-গাথৰি : যুগল দাস

অসমৰ লোকসাহিত্য : নবীন চন্দ্র শর্মা

দেউৰী সংস্কৃতি : ডম্বৰুধৰ দেউৰী

অসমৰ জনগোষ্ঠীয় লোকখাদ্য : অংশুমান দাস (সম্পা.)

অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ: উপেন ৰাভা হাকাছাম আৰু প্রফুল্ল কুমাৰ নাথ (সম্পা.)

A Cultural History of Assam, Vol. I : Birinchi Kumar Baruah

Folklore and Folklife - An Introduction : R. M. Dorson (Ed.)

Tribal Studies : Tamo Mibang and M.C. Behera

Primitive Culture : E.B. Tylor

SEMESTER III

Title of the Course : অসমীয়া কবিতাৰ চানেকি

(Selection from Assamese poetry)

Course Code : ASMM302
Nature of the Course : Major
Total Credits : 04
Distribution of Marks : 70 (End Sem) +30 (In-Sem)
Method of Internal Assessment :
Sessional (2) : 10+10= 20
Group Discussion/ Seminar/Home Assignment: 5
Attendance : 5
Level of difficulty : 200

প্ৰস্তাৰনা

অসমীয়া কবিতাৰ ইতিহাস আৰু ইয়াৰ গতি-প্ৰকৃতি সম্পৰ্কে সম্যক আভাস দিয়াৰ উদ্দেশ্যে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

১। লোক-সাহিত্যৰ জৰিয়তে আৰম্ভণি হোৱা অসমীয়া কবিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে আভাস পাব।

২। প্ৰত্ন-অসমীয়া ভাষাৰ চৰ্যাপদ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে জনাত সহায়ক হ'ব।

৩। প্ৰাক্-শংকৰীযুগ আৰু শংকৰীযুগৰ সাহিত্যৰাজি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান লাভ কৰিব।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	অসমীয়া কবিতাৰ সংক্ষিপ্ত ইতিহাস	১৫	১৩
২	(ক) প্ৰত্ন-অসমীয়া কবিতা: চৰ্যাপদ (চৰ্যাপদ ১, লুইপাদ) (খ) পুৰণি অসমীয়া কবিতা: মাধৱ কন্দলি (ৰামায়ণৰ পৰা সুন্দৰা কাণ্ড, শঙ্খিনী চিত্ৰিণী –বহয় পৱন) শংকৰদেৱ (বৰগীত -শুন শুন ৰে সুৰ) মাধৱদেৱ (খেদ, নামঘোষাৰ পৰা)	২০	১৭
৩	আধুনিক অসমীয়া কবিতা: (ৰোমাণ্টিক যুগ) চন্দ্ৰকুমাৰ আগৰৱালা– মাধুৰী বিনন্দ চন্দ্ৰ বৰুৱা – গড়গাওঁ নলিনী বালা দেৱী- পৰম তৃষ্ণা	১৫	১৩
৪	সাম্প্ৰতিক কালৰ কবিতা: অমূল্য বৰুৱা- বিপ্লৱী নৱকান্ত বৰুৱা- বোধিদ্ৰুমৰ খৰি নীলমনি ফুকন- টোপনিতো তেওঁ মোক খেদি ফুৰিছিল হীৰেণ ভট্টাচাৰ্য- নাগৰিক জীৱন নৱহ- তুমি পকা ধানৰ দৰে গোন্ধাইছা	২০	১৭
	মুঠ	৭০	

শিকন পৰিণতি

১। অসমীয়া কবিতাৰ ইতিহাস সম্পর্কে সম্যক ধাৰণা হ'ব।

২। অসমীয়া কবিতাৰ বিষয়বস্তু, দৃষ্টিভংগী আৰু আংগিকৰ বিষয়ে অৱগত হ'ব।

প্রসংগ পুথি :

কবি আৰু কবিতা : নন্দ তালুকদাৰ

অসমীয়া কবিতাৰ বর্ণালী : চন্দ্র কটকী

অসমীয়া লোক কবিতাৰ সৌন্দর্য বিচাৰ : নৱকান্ত বৰুৱা

অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) : হোমেন বৰগোহাঞি

নতুন কবিতা (পাতনি) : মহেন্দ্র বৰা

অসমীয়া সাহিত্যৰ চানেকি : হেমচন্দ্র গোস্বামী

অসমীয়া আখ্যান গীত সংগ্রহ : ভৱপ্রসাদ চলিহা (সম্পাদনা)

বাৰ মাহৰ তেৰ গীত : প্রফুল্ল দত্ত গোস্বামী (সম্পাদনা)

সঞ্চয়ন : মহেশ্বৰ নেওগ (সম্পাদনা)

হালধীয়া উপমা : জীৱন নৰহ

SEMESTER IV

Title of the Course	:	সাহিত্য সমালোচনা (Literary Criticism)
Course Code	:	ASMM 401 & ASMN 401
Nature of the Course	:	Major/Minor
Total Credits	:	04
Distribution of Marks	:	70 (End Sem) +30 (In-Sem)

Method of Internal Assessment :

Sessional (2):	10+10= 20
Group Discussion/ Seminar/Home Assignment:	5
Attendance :	5
Level of difficulty :	200

প্ৰস্তৱনা

সাহিত্য সমালোচনাৰ পৰিচয় আৰু পদ্ধতি তথা বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ স্বৰূপ সম্পৰ্কীয় ধাৰণা এই কাকতৰ জৰিয়তে প্ৰদান

কৰা হ'ব।

উদ্দেশ্য

- সাহিত্যৰ সংজ্ঞা, সাহিত্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান দিয়া হ'ব।
- সমালোচনাৰ বিভিন্ন পদ্ধতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে জানিব পাৰিব।
- সাহিত্যৰ বিভিন্ন ৰূপ, যেনে- গল্প, কবিতা, জীৱনী, চুটি গল্প, প্ৰৱন্ধ আদিৰ লগত পৰিচয় হ'ব পাৰিব।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	সাহিত্যৰ সংজ্ঞা, সাহিত্যৰ শ্ৰেণীবিভাগ	১৫	১৩
২	সমালোচনাৰ সংজ্ঞা আৰু স্বৰূপ, সমালোচকৰ আৱশ্যকীয় গুণ, সাহিত্য সমালোচনাৰ পদ্ধতি (ঐতিহাসিক, বিশ্লেষণাত্মক আৰু তুলনামূলক পদ্ধতি)	১৫	১৭
৩	বিভন্ন সাহিত্য ৰূপৰ সংজ্ঞা আৰু স্বৰূপ: কবিতা, নাটক আৰু জীৱনী	২০	১৭
৪	বিভিন্ন সাহিত্য ৰূপৰ সংজ্ঞা আৰু স্বৰূপ: উপন্যাস, চুটিগল্প আৰু প্ৰৱন্ধ	২০	১৩
	মুঠ	৭০	

শিকন পৰিণতি

১। ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ সংজ্ঞা, স্বৰূপ সন্দৰ্ভত জ্ঞান লাভ কৰিব।

২। কবিতা, চুটিগল্প, উপন্যাস, প্ৰৱন্ধ আৰু জীৱনী আদি সাহিত্যৰ বিভিন্ন বিভাগসমূহৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব।

প্রসংগ পুথি

নন্দনতত্ত্ব-প্রাচ্য আৰু পাশ্চাত্য : ত্রৈলোক্যনাথ গোস্বামী
সাহিত্য কলা আৰু তাৰ বিচাৰ : ত্রৈলোক্যনাথ গোস্বামী
সাহিত্য সমালোচনা : ত্রৈলোক্যনাথ গোস্বামী
সাহিত্য উপক্রমণিকা : মহেন্দ্র বৰা
উপন্যাস বিচাৰ আৰু বিশ্লেষণ : শৈলেন ভৰালী
সৃজন আৰু মনন : ইমদাদ উল্লাহ
কবিতাৰ সবিশেষ : ইমদাদ উল্লাহ
সাহিত্য নির্মাণ প্রসঙ্গ : নুৰুল ইছলাম শইকীয়া (সম্পাদনা)

An Introduction to the Study of Literature : W H Hudson
Aspects of the Novel : E M Forster

SEMESTER IV

Title of the Course : সাহিত্যতত্ত্ব (Poetics)
Course Code : ASMM 402
Nature of the Course : Major
Total Credits: 04
Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment :
Sessional (2) : 10+10= 20
Group Discussion/ Seminar/Home Assignment: 5
Attendance : 5
Level of difficulty: 200

প্ৰস্তাৱনা

প্ৰাচ্যৰ নন্দনতাত্ত্বিক আলোচনাৰ ধাৰণা এই কাকতখনৰ জৰিয়তে ছাত্ৰ ছাত্ৰীক প্ৰদান কৰা হ'ব।

উদ্দেশ্য

১। ভাৰতীয় নন্দনতাত্ত্বিক আলোচনাৰ বিভিন্ন দিশ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকল অৱগত হ'ব।

২। অসমীয়া ভাষাৰ ছন্দ আৰু অলংকাৰসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান লাভ কৰিব।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	শব্দশক্তি, ৰস, ধ্বনি	১৫	১৩
২	গুণ, ৰীতি, বক্ৰোক্তি, ঔচিত্য	২০	১৭
৩	অলংকাৰ: সংজ্ঞা, প্ৰয়োজনীয়তা, শব্দালংকাৰ আৰু ইয়াৰ প্ৰকাৰ; অর্থালংকাৰ আৰু ইয়াৰ প্ৰকাৰ	১৫	১৩
৪	ছন্দৰ উপাদান : পৰ্ব, চৰণ আৰু স্তৰক অসমীয়া ছন্দৰীতি : স্বৰবৃত্ত, মাত্ৰাবৃত্ত আৰু যৌগিক বিবিধ ছন্দসজ্জা : পদ, দুলড়ী, লেছাৰি, অমিত্ৰাক্ষৰ আৰু মুক্তক ছন্দ	২০	১৭
	মুঠ	৭০	

শিকন পৰিণতি

১। ৰস, ধ্বনি সম্পৰ্কে স্পষ্ট ধাৰণা হ'ব।

২। সাহিত্যত শব্দ, অলংকাৰ, ছন্দ আদি প্ৰয়োগৰ ব্যৱহাৰিক জ্ঞান লাভ কৰিব।

৩। সাহিত্যৰ বিভিন্ন দিশসমূহ নিজা দৃষ্টিৰে বিশ্লেষণ কৰিবলৈ শিকিব।

প্রসংগ পুথি :

কবিতাৰ দেহবিচাৰ : নৱকান্ত বৰুৱা, ষ্টুডেণ্টছ্ ষ্ট'ৰ্ছ, গুৱাহাটী

সাহিত্য বিদ্যা পৰিক্ৰমা : তীৰ্থনাথ শৰ্মা, বাণী প্ৰকাশ, প্ৰা. লি. গুৱাহাটী

সাহিত্য দৰ্শন : আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী, জাৰ্নাল এম্পৰিয়াম, নলবাৰী

ধ্বনি আৰু ৰসতত্ত্ব : মুকুন্দ মাধৱ শৰ্মা, বাণী প্ৰকাশ, প্ৰা. লি. গুৱাহাটী

অসমীয়া কবিতাৰ ছন্দ : মহেন্দ্ৰ বৰা, জ্যোতি প্ৰকাশন, গুৱাহাটী

অসমীয়া ছন্দৰ শিল্পতত্ত্ব : মহেন্দ্ৰ বৰা, ষ্টুডেণ্টছ্ ষ্ট'ৰ্ছ, গুৱাহাটী

অসমীয়া ছন্দশিল্পৰ ভূমিকা : নৱকান্ত বৰুৱা : ষ্টুডেণ্টছ্ ষ্ট'ৰ্ছ, গুৱাহাটী

নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য : ত্ৰৈলোক্যনাথ গোস্বামী, বাণী প্ৰকাশ, প্ৰা. লি. গুৱাহাটী

SEMESTER IV

Title of the Course : ভাষাবিজ্ঞানৰ পৰিচয়

(Introduction to Linguistics)

Course Code : ASMM 403

Nature of the Course : Major

Total Credits : 04

Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment	:	
Sessional (2)	:	10+10= 20
Group Discussion/ Seminar/Home Assignment:		5
Attendance	:	5
Level of difficulty	:	200

প্ৰস্তাৱনা

ভাষাৰ ধাৰণা, ভাষাৰ অধ্যয়ন কেনেধৰণৰ, অধ্যয়নৰ ক্ষেত্ৰখনত কোনবোৰ দিশ জড়িত হৈ থাকে – এনেবোৰ বিদ্যায়তনিক ধাৰণা প্ৰদানৰ জৰিয়তে পৰৱৰ্তী সময়ত ভাষাবিষয়ক অধ্যয়নৰ বাবে অগ্ৰসৰ হ'ব পৰাকৈ এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

১। ভাষা, ভাষাৰ বৈশিষ্ট্য, উপাদান আদিৰ লগত পৰিচয় কৰোৱা।

২। ব্যক্তি, সমষ্টি, পৰিৱেশ, ক্ষেত্ৰ বিশেষে ভাষাৰ বিভিন্ন ৰূপসমূহৰ লগত পৰিচয় কৰোৱা।

৩। ভাষা অধ্যয়নৰ স্তৰসমূহৰ লগত পৰিচয় কৰোৱা।

৪। ভাষাবিজ্ঞানৰ লগত আন্ত:সম্পৰ্কিত ক্ষেত্ৰৰ পৰিচয় কৰোৱা।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	বাগিন্দ্ৰিয় আৰু ইয়াৰ পৰিচয় : বাগিন্দ্ৰিয়, বাগিন্দ্ৰিয়সমূহ, উচ্চাৰণৰ স্থান, উচ্চাৰণৰধৰণ, উচ্চাৰণকৰণ সঘোষ-অঘোষ আৰু অল্পপ্ৰাণ-মহাপ্ৰাণ	১৫	১০
২	ভাষাৰ সংজ্ঞা, বৈশিষ্ট্য আৰু উপাদান: ভাষাৰ বিভিন্ন সংজ্ঞা আৰু বৈশিষ্ট্য; উপাদান - ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ	১০	১০
৩	ভাষাৰ বিভিন্ন ৰূপ: ব্যক্তিভাষা, উপভাষা, আঞ্চলিক উপভাষা, সামাজিক উপভাষা, ৰাজ্যভাষা, ৰাষ্ট্ৰভাষা,আন্ত:ৰাষ্ট্ৰীয় ভাষা, সংযোগী ভাষা, ক্ৰেঅ'ল আৰু পিজিন	১৫	১০
৪	ভাষা অধ্যয়নৰ স্তৰ : পৰিচয়মূলক (ক) ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান (খ) ৰূপতত্ত্ব : পদ, পদৰ প্ৰকাৰ; প্ৰত্যয়, বিভক্তি (গ) বাক্যতত্ত্ব : বাক্যৰ উপাদান, গঠন, প্ৰকাৰ (ঘ) অৰ্থতত্ত্ব : ঐতিহাসিক আৰু বৰ্ণনামূলক	১৫	১৫
৫	ভাষাবিজ্ঞানৰ লগত আন্ত:সম্পৰ্কিত ক্ষেত্ৰ : পৰিচয়মূলক : (ক) ভাষাবিজ্ঞাৰ সংজ্ঞা (খ) ভাষাবিজ্ঞান অধ্যয়নৰ পদ্ধতি : বৰ্ণনামূলক, ঐতিহাসিক, তুলনামূলক (গ) আন্ত:সম্পৰ্কিত ক্ষেত্ৰ : সমাজ ভাষাবিজ্ঞান, মনোভাষাবিজ্ঞান, সাংগাণনিক ভাষাবিজ্ঞান	১৫	১৫
	মুঠ	৭০	

শিকন পৰিণতি

১। বাক্‌ধ্বনি উচ্চাৰণৰ অংগসমূহ আৰু ধ্বনি উচ্চাৰণত সেইবোৰৰ ভূমিকা সম্পর্কে অৱগত হ'ব।

২। ভাষাৰ বৈশিষ্ট্য, উপাদান আদি সম্পর্কে ধাৰণা হ'ব।

৩। ভাষাৰ ভিন্নৰূপ সম্পর্কে ধাৰণা হ'ব।

৪। ভাষা অধ্যয়নৰ বিভিন্ন স্তৰ সম্পর্কে অৱগত হ'ব।

৫। ভাষাবিজ্ঞানৰ লগত আন্ত:সম্পর্কিত ক্ষেত্ৰৰ বিষয়ে অৱগত হ'ব।

প্রসংগপুথি

আধুনিক ভাষাবিজ্ঞান পৰিচয় : ফণীন্দ্র নাৰায়ণ দত্তবৰুৱা

ভাষাবিজ্ঞান : উপেন্দ্রনাথ গোস্বামী

ভাষাবিজ্ঞানৰ ভূমিকা : ৰমেশ পাঠক

ভাষাতত্ত্ব : দীপ্তি ফুকন পাটগিৰি

ভাষাৰ তত্ত্বকথা : নাহেন্দ্র পাদুন

তথ্য আৰু তত্ত্বৰ আধাৰত ভাষাৰ বিচা : দীপক কুমাৰ দাস (সম্পা.)

Language : Leonard Bloomfield

Language, Meaning &Context : John Lyons

An Introduction to Linguistics - Language, Grammar and Semantics :Pushpinder Syal and D.V. Jindal

A Course in Linguistics : Tarni Prasad

An Introductory Text Book of Linguistics & Phonetics : Student Store, Bareilly

SEMESTER IV

Title of the Course : তুলনামূলক সাহিত্য - পদ্ধতি আৰু প্ৰয়োগ

(Comparative Literature - Method and Practice)

Course Code : ASMM 404

Nature of the Course: Major

Total Credits: 04

Distribution of Marks: 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment :

Sessional (2):		10+10= 20
Group Discussion/ Seminar/Home Assignment:		5
Attendance	:	5
Level of difficulty	:	200

প্ৰস্তাৱনা

বৰ্তমান সময়ত তুলনামূলক সাহিত্যৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰা এই কাকতখনে ছাত্ৰ-ছাত্ৰীক তুলনামূলক সাহিত্যৰ ধাৰণা দিয়াৰ লগতে ইয়াৰ উৎপত্তি, অধ্যয়নৰ প্ৰয়োজনীয়তা, ভাৰতীয় সাহিত্য তথা অসমীয়া সাহিত্যৰ প্ৰেক্ষাপটত তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰাসংগিকতা আৰু প্ৰণালীৰ ধাৰণা দিব।

উদ্দেশ্য

১। তুলনামূলক সাহিত্যৰ উৎপত্তি আৰু গতিপথৰ পৰিচয় দিয়া।

২। আন্তঃবিদ্যায়তনিক বিষয় হিচাপে তুলনামূলক সাহিত্যৰ পৰিচয় প্ৰদান কৰা।

৩। ভাৰত আৰু অসমত তুলনামূলক সাহিত্যৰ চৰ্চাৰ বিষয়ে অৱগত কৰা।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	তুলনামূলক সাহিত্যৰ উৎপত্তি আৰু পৰিচয় : তুলনামূলক সাহিত্যৰ সাধাৰণ ধাৰণা, উৎপত্তি, সাহিত্যৰ অধ্যয়নত ইয়াৰ প্ৰয়োজনীয়তা, তুলনামূলক সাহিত্য আৰু তুলনামূলক অধ্যয়নৰ সম্বন্ধ	২০	১৭
২	আন্তঃবিদ্যাৱৰ্তী বিষয় হিচাপে তুলনামূলক সাহিত্য (ক) একাধিক সাহিত্য সম্পৰ্ক জড়িতভাৱে (খ) সাহিত্যৰ লগত সমাজবিজ্ঞানৰ বিভিন্ন বিষয় সম্পৰ্ক জড়িতভাৱে (গ) সাহিত্যৰ লগত কলাৰ অন্যশাখা সম্পৰ্ক জড়িতভাৱে	১৫	১৩
৩	ভাৰতীয় প্ৰেক্ষাপটত তুলনামূলক সাহিত্য : (ক) ভাৰতলৈ তুলনামূলক সাহিত্যৰ আগমন (খ) তুলনামূলক ভাৰতীয় সাহিত্যৰ পৰিচয় আৰু প্ৰাসংগিকতা	২০	১৭
৪	অসমত তুলনামূলক সাহিত্য : অসমত তুলনামূলক সাহিত্যৰ চৰ্চা, অসমত তুলনামূলক সাহিত্যৰ প্ৰাসংগিকতা	১৫	১৩
	মুঠ	৭০	

শিকন পৰিণতি

১। তুলনামূলক সাহিত্যৰ সামগ্রিক আভাস লাভ কৰিব।

২। তুলনামূলক সাহিত্য অধ্যয়নৰ প্রাসংগিকতা উপলব্ধি কৰাৰ লগতে অধ্যয়নৰ হাবিয়াস বৃদ্ধি পাব।

৩। জাতীয়, ৰাষ্ট্রীয় আৰু আন্ত:ৰাষ্ট্রীয় সংহতি স্থাপনত সহায়ক হ'ব।

প্রসংগ পুথি

তুলনামূলক সাহিত্য : কি কিয় আৰু কেনেকৈ : নীৰাজনা মহন্ত বেজবৰা

পটভূমিকাত তুলনামূলক সাহিত্য : নীৰাজনা মহন্ত বেজবৰা

তুলনামূলক সাহিত্য- বিচাৰ আৰু বিশ্লেষণ : দিলীপ বৰা

তুলনামূলক সাহিত্য - পটভূমিকাত অসম : ধ্রুৱজ্যোতি নাথ (সম্পা.)

তুলনামূলক সাহিত্য - তত্ত্ব আৰু বিচাৰ : প্রাণজিৎ বৰা

তুলনামূলক ভাৰতীয় সাহিত্য - প্রকল্প আৰু প্রয়োগ : অনুৰাধা শর্মা

তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ : প্রফুল্ল কটকী

তুলনামূলক সাহিত্য আৰু অনুবাদ কলা : কৰবী ডেকা হাজৰিকা

SEMESTER V

Title of the Course : অসমীয়া গদ্যৰ চানেকি

Course Code : ASMM 501

Nature of the Course : Core

Total Credits : 04

Distribution of Marks : Total : 100 (End Sem: 70+In-Sem :30)

Method of Internal Assessment
Sessional (2) :10+10= 20
Group Discussion/ Seminar/Home Assignment :5
Attendance :5
Level of difficulty :100

প্ৰস্তাৱনা

অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ তথা বিকাশৰ ধাৰা সম্পৰ্কে জানিবৰ বাবে চমু পৰিচয়সহ অসমীয়া গদ্যৰ জনক ভট্টদেৱৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে অসমীয়া গদ্যৰ নিৰ্বাচিত অংশ সন্নিৱিষ্ট কৰা হৈছে।

১। অসমীয়া গদ্যৰ উদ্ভৱ সম্পৰ্কে ধাৰণা দিয়া।

২। বিভিন্ন সময়ত হোৱা বিকাশ সম্পৰ্কে অৱগত কৰা।

৩। বিভিন্ন প্ৰকাৰ আৰু শৈলীৰ গদ্যৰ পৰিচয় দিয়া।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
	অসমীয়া গদ্যৰ উদ্ভৱ আৰু বিকাশঃ মন্ত্ৰ সাহিত্যৰ গদ্য, অংকীয়া নাটৰ গদ্য, ভট্টদেৱৰ গদ্যৰ পৰা সাম্প্ৰতিক গদ্যলৈ সম্পূৰ্ণ পৰিক্ৰমা।	১৫	১০
	প্ৰাচীন অসমীয়া গদ্য • কথা গীতাঃ কৰ্মযোগ অংশ • তুংখুঙীয়া বুৰঞ্জীঃ স্বৰ্গদেউ ৰুদ্ৰসিংহ অংশ • গুৰুচৰিত কথাঃ শংকৰ-মাধৱৰ মিলন অংশ	১৫	১৬
	অৰুণোদই আৰু জোনাকী যুগৰ গদ্য • 'অসম বুৰঞ্জীৰ দ্বিতীয় অধ্যায়':গুণাভিৰাম বৰুৱা • কাকতি ফৰিঙ্গৰ কথাঃ 'অৰুণোদই' • মোৰ জীৱন সোঁৱৰণ (প্ৰথম তিনি অধ্যয়): লক্ষ্মীনাথ বেজবৰুৱা • চিন্তাঃ সত্যনাথ বৰা	২০	১৬
	সাম্প্ৰতিক কালৰ অসমীয়া গদ্য • সাগৰ দেখিছাঃ হেম বৰুৱা (ভ্ৰমণ কাহিনী) • সাগৰ তলিৰ শংখৰ পাতনিঃ হীৰেণ গোহাঁই (সমালোচনা সাহিত্য) • ভিনচেণ্ট ভেন গঘঃ হোমেন বৰগোহাঞিঃ (জীৱনী লেখা) এখন সুন্দৰ পৃথিৱী গঢ়াৰ বাবে বৈজ্ঞানিক আন্দোলনঃ দীনেশ চন্দ্ৰ গোস্বামী (বিজ্ঞান সাহিত্য)	২০	১৮
	মুঠ নম্বৰ	৭০	

শিকণ পৰিণতি:

১। এই কাকতৰ জৰিয়তে অসমীয়া গদ্যৰ গতি পৰিক্রমাৰ বিষয়ে অৱগত হ'ব।

২। বিভিন্ন ধাৰাৰ অসমীয়া গদ্যৰ সৈতে পৰিচয় হ'ব।

প্রসংগ পুথি

তুংখুঙীয়া বুৰঞ্জীঃ সূর্য কুমাৰ ভূঞা (সম্পা.)
আনন্দৰাম কিয়াল ফুকনৰ জীৱন চৰিতঃ গুণাভিৰাম বৰুৱা
অসমীয়া কথা সাহিত্যঃ বিৰিঞ্চি কুমাৰ বৰুৱা
জীৱনী আৰু অসমীয়া জীৱনীঃ গোৱিন্দ প্রসাদ শর্মা
গুৰুচৰিত কথাঃ মহেশ্বৰ নেওগ (সম্পা.)
বুৰঞ্জী সাহিত্যঃ লীলা গগৈ
গদ্যৰ সাধনাঃ হোমেন বৰগোহাঞি
আত্মানুসন্ধানঃ হোমেন বৰগোহাঞি
হীৰেন গোহাঁই ৰচনাৱলী (খণ্ড- সাহিত্য):মুনীন বায়ন আৰু শোণিত বিজয় দাস (সম্পা.)

SEMESTER V

Title of the Course : ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা

(Indo Aryan Languages and Assamese)

Course Code : ASMM 502

Nature of the Course : Major

Total Credits : 04

Distribution of Marks : 70 (End Sem) + 30 (In-Sem)

Method of Internal Assessment :		
Sessional (2)	:	10+10= 20
Group Discussion/ Seminar/Home Assignment:		5
Attendance	:	5
Level of difficulty	:	200

প্ৰস্তৱনা

ভাৰতীয় আৰ্য ভাষাৰ সামগ্ৰিক দিশৰ এটি সংক্ষিপ্ত ধাৰণা আৰু সংস্কৃত, পালি আৰু প্ৰাকৃত ব্যাকৰণৰ লগত পৰিচয় কৰোৱাৰ উদ্দেশ্যে এই কাকতখন প্ৰস্তুত কৰা হৈছে। লগতে ভাৰতীয় আৰ্য ভাষাৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কীয় ধাৰণা ; সংস্কৃত, পালি আৰু প্ৰাকৃত ভাষাৰ নিৰ্বাচিত পাঠ উল্লেখেৰে ভাষাসমূহৰ স্বৰূপৰ লগত পৰিচয় প্ৰদানৰ চেষ্টা কৰা হৈছে।

উদ্দেশ্য

১। ভাৰতীয় আৰ্য ভাষাৰ এটি সামগ্ৰিক ধাৰণা দিয়া।

২। ভাৰতীয় আৰ্য ভাষাৰ বিকাশৰ স্তৰ সম্পৰ্কে অৱগত কৰোৱা।

৩। সংস্কৃত, পালি, প্ৰাকৃত ভাষাৰ গাঠনিক দিশৰ লগতে পাঠৰ স্বৰূপৰ লগত পৰিচয় কৰোৱা।

৪। অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কীয় ধাৰণাৰ লগত পৰিচয় কৰোৱা।

৫। অসমীয়া ভাষাৰ উপভাষা, উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা, অসমীয়া ভাষাৰ ক্ষেত্ৰত সন্মুখত দেখা দিয়া সমস্যাৰ বিষয়ে অৱগত কৰোৱা।

গোট	বিষয়	নম্বৰ	পাঠদান (ঘণ্টা)
১	ভাৰতীয় আৰ্যভাষা : (ক) আৰ্য শব্দৰ তাৎপৰ্য ; আৰ্যসকলৰ আদিম বাসস্থান (খ) ইৰাণীয় আৰ্য বনাম ভাৰতীয় আৰ্য (গ) ভাৰতীয় আৰ্য ভাষাৰ বিকাশৰ স্তৰ : প্ৰাচীন ভাৰতীয় আৰ্য মধ্য ভাৰতীয় আৰ্য নব্য ভাৰতীয় আৰ্য	১৫	১২
২	ভাৰতীয় আৰ্য ভাষাৰ বিভিন্ন স্তৰৰ নিৰ্বাচিত পাঠ (ক) সংস্কৃত : নীতিশতক শ্লোক (নিৰ্বাচিত পাঠ ৪) (খ) অশোকৰ অনুশাসন : গিৰ্ণাৰ – ১, কালচী – ১ (গ) পালি : অপ্পমাদ বগ্গো ১ – ৪; পুপ্ফ বগ্গো ১ – ৪ (ধম্মপদ) (ঘ) প্ৰাকৃত : গাহাসত্তসই (প্ৰথম ছটা) (ঙ) অপভ্ৰংশ : সন্দেশ ৰাসক (প্ৰথম তিনিটা শ্লোক) কীৰ্তিলতা (প্ৰথম তিনিটা শ্লোক)	১৫	১২

৩	সংস্কৃত-পালি-প্রাকৃত ভাষাৰ তুলনা স্বৰ আৰু ব্যঞ্জন শব্দৰূপ ধাতুৰূপ	২০	১৮
৪	(ক) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কীয় মত (খ) অসমীয়া ভাষাৰ বিকাশৰ বিভিন্ন স্তৰ (গ) অসমীয়া ভাষাৰ উপভাষা অসমীয়া ভাষাৰ উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা অসমীয়া ভাষাৰ মান্য ভাষা সৃষ্টিৰ প্ৰক্ৰিয়া অসমীয়া ভাষাৰ সন্মুখত দেখা দিয়া সমস্যাসমূহ	২০	১৮
	মুঠ	৭০	

শিকন পৰিনতি

১। ভাৰতীয় আর্য ভাষা সন্দর্ভত সামগ্রিক দিশৰ ধাৰণা হ'ব।
২। সংস্কৃত, পালি আৰু প্রাকৃত ভাষাৰ পাঠৰ লগত পৰিচিত হোৱাৰ লগতে ভাষাসমূহৰ স্বৰূপ সম্পর্কে অৱগত হ'ব।
৩। নির্বাচিত পাঠসমূহ অধ্যয়নৰ ফলত সংস্কৃতৰ পৰা শব্দবোৰ ক্রমাৎ কেনেদৰে সৰলীকৰণ হৈছিল তাৰ আভাস পাব।
৪। অসমীয়া ভাষাৰ উদ্ভৱ সম্পর্কীয় মত আৰু ভাষাটোৰ বিকাশ সম্পর্কীয় ধাৰণাৰ বিষয়ে অৱগত হ'ব।
৫। অসমীয়া ভাষাৰ উপভাষা, উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা সম্পর্কে ধাৰণা হ'ব।
৬। অসমীয়া ভাষাৰ বর্তমানৰ স্থিতি সম্পর্কে ধাৰণা লাভ কৰিব।

প্রসঙ্গ পুথি

অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ : উপেন্দ্রনাথ গোস্বামী
তুলনামূলক ব্যাকৰণ (সংস্কৃত-পালি-প্রাকৃত) : সত্যেন্দ্র নাৰ্যণ গোস্বামী
সংস্কৃত ও প্রাকৃত ভাষাৰ ক্রমবিকাশ : পৰেশচন্দ্র মজুমদাৰ
প্রাকৃত সাহিত্য : সত্যেন্দ্র নাৰ্যণ গোস্বামী
প্রাকৃত সাহিত্য চয়ন : নগেন ঠাকুৰ
প্রাকৃত পাঠ : কেশৱানন্দ দেৱগোস্বামী আৰু ভীমকান্ত বৰুৱা (সম্পা.)
অসমীয়া ভাষাৰ ইতিহাস : ৰমেশ পাঠক
সংস্কৃত, পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ : লীলাৱতী শইকীয়া বৰা
উদ্ভৱকালীন অসমীয়া ভাষা : সুবাসনা মহন্ত চৌধুৰী
ধম্মপদ – পৰিচিতি : শৈলেনজিৎ শর্মা
A Comparative Grammar of Middle Indo-Aryan : Sukumar Sen
A Comparative Grammar of Modern Aryan Languages of India: John Beams
A Comparative Old Indo-Aryan Grammar: Sukumar Biswas
Assamese - Its Formation and Development : Banikanta Kakati
Linguistic Survey of India, Vols: I, V-X, G. A. Grierson
Proto-New Indo-Aryan : Subhadra Kumar Sen
Sanskrit & Prakrit -- Sociolinguistic Issues : Madhav M. Deshpande
Assamese, its Formation and Development : B.K. Kakati

SEMESTER V

Title of the Course : অসমীয়া ভাষাতত্ত্ব
(Assamese Linguistics)
Course Code : ASMM 503
Nature of the Course : Major
Total Credits : 04
Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment	:	
Sessional (2)	:	10+10= 20
Group Discussion/ Seminar/Home Assignment:		5
Attendance	:	5
Level of difficulty	:	200

প্রস্তাৱনা

অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, অর্থতাত্ত্বিক আদি সামগ্রিক দিশৰ সম্যক ধাৰণা পাব পৰাকৈ এই কাকতখন যুগুত কৰা হৈছে। লগতে ভাষাটোৰ আভ্যন্তৰীণ গঠন প্রণালী বিশ্লেষণৰ দিশসমূহৰ পৰিচয় পাব পৰা কথাটোত গৰুত্ব আৰোপ কৰা হৈছে।

উদ্দেশ্য

১। অসমীয়া ভাষাৰ বিভাজ্য আৰু অবিভাজ্য ধ্বনি সম্পর্কে আভাস দিয়া।
২। ধ্বনি পৰিৱর্তন আৰু ধ্বনি পৰিৱর্তনৰ নিয়ম সম্পর্কে ধাৰণা দিয়া।
৩। অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক দিশৰ মৌলিক একক- আকৃতি, প্রাকৃতি, উপাকৃতি আদিৰ সাধাৰণ আভাস দিয়া।
৪। ব্যাকৰণগত বিষয়সমূহৰ আভ্যন্তৰীণ দিশসমূহ দেখুৱাই দিয়া।
৫। অর্থতাত্ত্বিক বিশ্লেষণৰ দিশসমূহৰ লগত পৰিচয় কৰোৱা।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক আলোচনা : (ক) বিভাজ্য আৰু অবিভাজ্য ধ্বনি (খ) ধ্বনি পৰিৱর্তন : ধ্বনি পৰিৱর্তনৰ কাৰণ আৰু ধ্বনি নিয়ম (গ) অবিভাজ্য ধ্বনি: অক্ষৰ, শ্বাসাঘাত, সন্ধি আৰু সুৰলহৰ	১৫	১৩
২	অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ: (ক) আকৃতি, প্রাকৃতি, উপাকৃতিৰ সাধাৰণ পৰিচয় (খ) অসমীয়া ভাষাৰ প্রাকৃতিৰ শ্রেণীবিভাজন	১৫	১৬
৩	(ক) অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় : কাৰক, পুৰুষ, অকর্মক ক্রিয়া (খ) শব্দৰ তির্যক ৰূপ (গ) অসমীয়া ভাষাৰ ক্রিয়া : ক্রিয়াৰ প্রকাৰ আৰু ক্রিয়াপদৰ গঠন (গ) অসমীয়া ভাষাৰ নঞৰ্থকতা : ক্রিয়াপদৰ নঞৰ্থকতা আৰু শব্দ পর্যায়ৰ নঞৰ্থকতা	২০	১৬

৪	অর্থতত্ত্ব: (ক) ঐতিহাসিক ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা : অর্থবিস্তাৰ, অর্থসংকোচ আৰু অর্থাদেশ (খ) বর্ণনাত্মক ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা : অর্থগত উপাদান; সম্পর্কগত উপাদান; সমার্থবাচকতা; অভ্যন্তৰার্থ; বিপৰীতার্থক শব্দ	২০	১৫
		মুঠ ৭০	

শিকন পৰিণতি

১। ধ্বনি, বর্ণ, উপধ্বনি সম্পর্কে ধাৰণা হ'ব।

২। বিভাজ্য-অবিভাজ্য ধ্বনি, স্বৰ-ব্যঞ্জন নির্ণয়, সংযুক্ত ধ্বনিৰ প্রয়োগ সম্পর্কে ধাৰণা হ'ব।

৩। ৰূপতাত্ত্বিক বিশ্লেষণৰ মৌলিক এককসমূহৰ লগতে অসমীয়া ভাষাৰ গাঠনিক দিশৰ বিশ্লেষণৰ এককসমূহৰ পৰিচয় লাভ কৰিব।

৪। ভাষাৰ অর্থতাত্ত্বিক দিশ বিশ্লেষণৰ বিভিন্ন কথাৰ আভাস পাব।

প্রসঙ্গপুথি

ধ্বনি-বিজ্ঞনৰ ভূমিকা : গোলোকচন্দ্র গোস্বামী

অসমীয়া বর্ণ প্রকাশ : গোলোকচন্দ্র গোস্বামী

অসমীয়া ভাষাৰ ব্যাকৰণ : উপেন্দ্রনাথ গোস্বামী

অসমীয়া ভাষাৰ ৰূপ-কথা : উপেন্দ্রনাথ গোস্বামী

অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ : গোলোকচন্দ্র গোস্বামী

অসমীয়া ব্যাকৰণ প্রৱেশ : গোলোকচন্দ্র গোস্বামী

ব্যাকৰণ আৰু প্রাকৃতি বিজ্ঞান : ৰমেশ পাঠক

আধুনিক অসমীয়া ব্যাকৰণ : জগত চন্দ্র কলিতা

অসমীয়া ভাষাৰ ৰূপতত্ত্ব : লীলাৱতী শইকীয়া বৰা

অসমীয়া ভাষাৰ গঠন আৰু বিকাশ : বিশ্বেশ্বৰ হাজৰিকা (অনু.)

তথ্য আৰু তত্ত্বৰ আধাৰত ভাষাৰ বিচাৰ : দীপক কুমাৰ দাস (সম্পা.)

Assamese Its Formation and Development : B. Kakati

Language and Its Structure : R. W. Langacker

Phonetics : K. L.

Morphology : E. A. Nida

SEMESTER V

Title of the Course : ভাৰতীয় সাহিত্যৰ পৰিচয়
Introduction to Indian Literatureii

Course Code : ASMM504
Nature of the Course : Core
Total Credits : 04
Distribution of Marks : 70 (End Sem) + 30 (In-Sem)

Method of Internal Assessment	:	
Sessional (2)	:	10+10=20
Group Discussion/ Seminar/ Home Assignment	:	5
Attendance	:	5
Level of difficulty	:	200

প্ৰস্তাৱনা

বহু ভাষাৰে প্ৰকাশ লাভ কৰা ভাৰতীয় সাহিত্যৰ একক ৰূপত পৰিচয় প্ৰদানৰ লগতে নিৰ্বাচিত ৰচনাৰ অধ্যয়নৰ যোগেদি তাৰ কিছু আভাস দিবৰ উদ্দেশ্যেৰে এই কাকতখনি পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰা হৈছে।

উদ্দেশ্য

১) ভাৰতীয় সাহিত্য সম্পৰ্কে ধাৰণা হ'ব।
২) ভাৰতীয় ধাৰাৰ কবিতাৰ লগত পৰিচিতি লাভ কৰিব।
৩) ভাৰতীয় চুটিগল্প সম্পৰ্কে ধাৰণা হ'ব।
৪) ভাৰতীয় লোকৰ জীৱন আধাৰিত উপন্যাসৰ লগত সম্পৰ্কিত হ'ব।
৫) ভাৰতীয় নাটকৰ গতিবিধি সম্পৰ্কে জ্ঞান লাভ কৰিব।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	ভাৰতীয় সাহিত্যৰ ধাৰণা। ভাৰতীয় সাহিত্যৰ ধাৰণাৰ উৎপত্তি আৰু বিকাশ, ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্য	১৪	১২
২	ভৰতীয় কবিতাৰ চানেকি (আটাইকেইটা কবিতা 'কবিতাৰ মাধুকৰী'ৰ অন্তৰ্গত) জীৱনানন্দ দাস (বনলতা সেন) ৰমাকান্ত ৰথ (অশ্বাৰোহী) সৰ্বেশ্বৰ দয়াল সক্সেনা (কাঠৰ ঘণ্টাবোৰ)	১৪	১২
৩	ভাৰতীয় ভুটিগল্পৰ চানেকি (আটাইকেইটা গল্প 'জীৱনৰ অন্যএক নাম' গ্ৰন্থৰ অন্তৰ্গত) শাস্তি (ৰবীন্দ্ৰনাথ ঠাকুৰ) খুৰী আইতা (প্ৰেমচন্দ) হাতী আৰু হাৰিকেন লেম্প্ (সুপ্ৰিয়া পণ্ডা)	১৪	১২
৪	ভাৰতীয় উপন্যাৰ চানেকি এটি কলি দুটি পাত (মূল মুক্তৰাজ আনন্দ, অনুবাদ বাবুল তামুলী)	১৪	১২
৫	ভাৰতীয় নাটকৰ চানেকি		

হানুছ (মূল ভীষ্ম সাহনী, অনুবাদ নীৰাজনা মহন্ত বেজবৰা)	২৪	১২
মুঠ	৭০	

শিকন পৰিণতি

১) ভাৰতীয় সাহিত্য সম্পর্কে ধাৰণা হ'ব।

২) বিভিন্ন ভাষাৰ পাঠ্যসমূহৰ জৰিয়তে সেই ভাষী লোকৰ জীৱন সম্পর্কে অৱগত হ'ব।

৩) সৃষ্টিমূলক সাহিত্যৰ জৰিয়তে আংগিক সম্পর্কে অৱগত হ'ব।

৪) সামগ্রিকভাৱে ভাৰতীয় সাহিত্যৰ লগত পৰিচয় হ'ব।

প্রসংগ পুথি

তুলনামূলক ভাৰতীয় সাহিত্য : নীৰাজনা মহন্ত বেজবৰা

আধুনিক ভাৰতীয় সাহিত্য : শৈলেন ভৰালী

কবিতাৰ মাধুকৰী : কৰবী ডেকা হাজৰিকা (সম্পা.)

হানুছ : নীৰাজনা মহন্ত বেজবৰা (অনু.)

জীৱনৰ অন্য এক নাম : (নীৰাজনা মহন্ত বেজবৰা (অনু.)

এটি কলি দুটি পাত : বাবুল তামূলী (অনু.)

SEMESTER V

Title of the Course : ভাষাবিজ্ঞানৰ পৰিচয়

(Introduction to Linguistics)

Course Co : ASMN 501

Nature of the Course : Minor

Total Credits : 04

Distribution of Marks : 70 (End Sem) +30 (In-Sem)

Method of Internal Assessment	:	
Sessional (2)	:	10+10= 20
Group Discussion/ Seminar/Home Assignment:		5
Attendance	:	5
Level of difficulty	:	200

প্ৰস্তাৱনা

ভাষাৰ ধাৰণা, ভাষাৰ অধ্যয়ন কেনেধৰণৰ, অধ্যয়নৰ ক্ষেত্ৰখনত কোনবোৰ দিশ জড়িত হৈ থাকে – এনেবোৰ বিদ্যায়তনিক ধাৰণা প্ৰদানৰ জৰিয়তে পৰৱৰ্তী সময়ত ভাষাবিষয়ক অধ্যয়নৰ বাবে অগ্ৰসৰ হ'ব পৰাকৈ এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

১। ভাষা, ভাষাৰ বৈশিষ্ট্য, উপাদান আদিৰ লগত পৰিচয় কৰোৱা।

২। ব্যক্তি, সমষ্টি, পৰিৱেশ, ক্ষেত্ৰ বিশেষে ভাষাৰ বিভিন্ন ৰূপসমূহৰ লগত পৰিচয় কৰোৱা।

৩। ভাষা অধ্যয়নৰ স্তৰসমূহৰ লগত পৰিচয় কৰোৱা।

৪। ভাষাবিজ্ঞানৰ লগত আন্ত:সম্পৰ্কিত ক্ষেত্ৰৰ পৰিচয় কৰোৱা।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান (ঘণ্টা)
১	বাগিন্দ্ৰিয় আৰু ইয়াৰ পৰিচয় : বাগিন্দ্ৰিয়, বাগিন্দ্ৰিয়সমূহ, উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ, উচ্চাৰণকৰণ, সঘোষ - অঘোষ আৰু অল্পপ্ৰাণ - মহাপ্ৰাণ	১০	১০
২	ভাষা : (ক) ভাষাৰ সংজ্ঞা, বৈশিষ্ট্য আৰু উপাদান (খ) ভাষাৰ বিভিন্ন ৰূপ : ব্যক্তিভাষা, উপভাষা, আঞ্চলিক উপভাষা, ৰাজ্যভাষা ৰাষ্ট্ৰভাষা, আন্ত:ৰাষ্ট্ৰীয় ভাষা, সংযোগী ভাষা, ক্ৰেঅ'ল আৰু পিজিন	২০	১৫
৩	ভাষা অধ্যয়নৰ স্তৰ : পৰিচয়মূলক (ক) ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান (খ) ৰূপতত্ত্ব : আকৃতি, প্ৰাকৃতি, উপাকৃতিৰ সাধাৰণ আভাস (গ) বাক্যতত্ত্ব : বাক্য গঠন, উদ্দেশ্য, বিধেয়; কৰ্তা, কৰ্ম, ক্ৰিয়াৰ ক্ৰমৰ সাধাৰণ আভাস (ঘ) অৰ্থতত্ত্ব : (১) ঐতিহাসিক দৃষ্টিকোণৰ পৰা- অৰ্থবিস্তাৰ, অৰ্থ সংকোচ, অৰ্থাদেশ (২) বৰ্ণনা ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা- অৰ্থগত, সম্পৰ্কগত উপাদান আদিৰ প্ৰাৰম্ভিক ধাৰণা	২৫	২০
৪	ভাষাবিজ্ঞানৰ লগত আন্ত:সম্পৰ্কিত ক্ষেত্ৰ : পৰিচয়মূলক : (ক) ভাষাবিজ্ঞাৰ সংজ্ঞা (গ) আন্ত:সম্পৰ্কিত ক্ষেত্ৰ – সমাজ ভাষাবিজ্ঞান, মনোভাষাবিজ্ঞান, সাংগাণনিক ভাষাবিজ্ঞান	১৫	১৫
	মুঠ	৭০	

শিকন পৰিণতি

১। বাক্ধ্বনি উচ্চাৰণৰ অংগসমূহ আৰু ধ্বনি উচ্চাৰণত সেইবোৰৰ ভূমিকা সম্পর্কে অৱগত হ'ব।

২। ভাষাৰ বৈশিষ্ট্য, উপাদান আদি সম্পর্কে ধাৰণা হ'ব।

৩। ভাষাৰ ভিন্নৰূপ সম্পর্কে ধাৰণা হ'ব।

৪। ভাষা অধ্যয়নৰ বিভিন্ন স্তৰ সম্পর্কে অৱগত হ'ব।

৫। ভাষাবিজ্ঞানৰ লগত আন্ত:সম্পর্কিত ক্ষেত্রৰ বিষয়ে অৱগত হ'ব।

প্রসংগপুথি

আধুনিক ভাষাবিজ্ঞান পৰিচয় : ফণীন্দ্র নাৰায়ণ দত্তবৰুৱা

ভাষাবিজ্ঞান : উপেন্দ্রনাথ গোস্বামী

ভাষাবিজ্ঞানৰ ভূমিকা : ৰমেশ পাঠক

ভাষাতত্ত্ব : দীপ্তি ফুকন পাটগিৰি

ভাষাৰ তত্ত্বকথা : নাহেন্দ্র পাদুন

তথ্য আৰু তত্ত্বৰ আধাৰত ভাষাৰ বিচাৰ : দীপক কুমাৰ দাস (সম্পা.)

Language : Leonard Bloomfield

Language, Meaning &Context : John Lyons

An Introduction to Linguistics - Language, Grammar and Semantics :Pushpinder Syal and D.V. Jindal

A Course in Linguistics : Tarni Prasad

SESTER VI

Title of the Course: অসমীয়া নাটক

(Assamese Drama)

Course Code: ASM 601

Nature of Course: Core

Total Credits: 04

Distribution of Marks: 70 (End Sem) + 30 (In-Sem)

Method of Internal Assessment:

Sessional (2):	10+10= 20
Group Discussion/Seminar/Home Assignment:	5
Attendance:	5
Level of difficulty:	200

প্রস্তাৱনা: অসমীয়া নাটকৰ উদ্ভৱ আৰু ক্রমবিকাশৰ লগত পৰিচিত হ'বৰ উদ্দেশ্যেৰে এই কাকতখনি যুগুত কৰা হৈছে।

উদ্দেশ্য :

- অসমীয়া নাটকৰ ক্রমবিকাশৰ বিভিন্ন স্তৰ সম্পর্কে স্পষ্ট হোৱা।
- প্রাচীন যুগৰ অসমীয়া নাট্যকাৰৰ প্রতিনিধিত্বমূলক নাটক আৰু নাট্যকাৰৰ জ্ঞান লাভ কৰা।
- আধুনিক স্তৰৰ অসমীয়া নাট্যকাৰৰ প্রতিনিধিত্বমূলক নাটক আৰু নাট্যকাৰৰ জ্ঞান লাভ কৰা।
- আধুনিক নাট্য সমালোচনাৰ বিবিধ ধাৰাৰ সৈতে পৰিচয় লাভ কৰা।

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান(ঘণ্টা)
১	অসমীয়া নাট্য সাহিত্য : সংক্ষিপ্ত ইতিহাস	১৫	১৩
২	পুৰণি অসমীয়া নাটক ৰুক্মণী হৰণ (শংকৰদেৱ)	১৫	১৩
৩	আধুনিক অসমীয়া নাটক ৰামনৱমী (গুণাভিৰাম বৰুৱা) জয়মতী কুঁৱৰী (লক্ষ্মীনাথ বেজবৰুৱা) কাৰেঙৰ লিগিৰী – (জ্যোতিপ্রসাদ আগৰৱালা)	২০	১৭
৪	সাম্প্রতিক অসমীয়া নাটক কুকুৰনেছিয়া মানুহ (অৰুণ শর্মা) হাতী আৰু ফান্দী (মুনীন ভুঞা)	২০	১৭
	মুঠ	৭০	

পাঠ্যক্রমৰ শিকন পৰিণতিঃ

১। অসমীয়া নাটকৰ পৰিচয় প্রদান কৰা।

২। পুৰণি অসমীয়া নটকৰ পৰিচয় প্রদান কৰা।

৩। ঊণবিংশ শতিকাৰ অসমীয়া নাটকৰ পৰিচয় প্রদান কৰা।

৪। বিংশ শতিকাৰ প্রথম স্তৰৰ অসমীয়া নাটকৰ পৰিচয় প্রদান কৰা।

৫। যুদ্ধোত্তৰ কালৰ অসমীয়া নাটকৰ পৰিচয় প্রদান কৰা।

প্রসঙ্গপুথি

অংকমালাঃ কেশৱানন্দ দেৱগোস্বামী, (সম্পা.)

অংকমালাঃ কেশৱানন্দ দেৱগোস্বামী, (সম্পা.)।

অংকীয়া ভাওনাঃ কেশৱানন্দ দেৱগোস্বামী (সম্পা.)।

অসমীয়া নাট্য সাহিত্যঃ সত্যেন্দ্রনাথ শর্মা।

অসমীয়া নাটক : স্বৰাজোত্তৰ কালঃ শৈলেন ভৰালী।

ৰামনৱমী-নাটকঃ যতীন্দ্র মোহন ভট্টাচার্য (সম্পা.)

গাঁওবুঢ়াঃ পদ্মনাথ গোহাঞিবৰুৱা

জয়মতী কুঁৱৰীঃ বেজবৰুৱা গ্রন্থাৱলী-দ্বিতীয় খণ্ড

কাৰেঙৰ লিগিৰী, জ্যোতিপ্রসাদ ৰচনাৱলীঃ সত্যেন্দ্রনাথ শর্মা (সম্পা.)

জ্যোতি মনীষাঃ প্রহ্লাদ কুমাৰ বৰুৱা।

হাতী আৰু ফান্দী, পৰজাঃ মুনীন ভুঞা

বিষয় আৰু ব্যাখ্যাঃ জয়ন্ত কুমাৰ বৰা

অসমীয়া নাট্য পৰিক্রমাঃ অমল চন্দ্র দাস (সম্পা.)

SEMESTER VI

Title of the Course : পাশ্চাত্য সাহিত্যতত্ত্ব

Course Code : ASMM602

Nature of the Course : Major

Total Credits : 04

Distribution of Marks : Total : 100 (End Sem: 70+In-Sem :30)

Method of Internal Assessment
Sessional (2) :10+10= 20
Group Discussion/ Seminar/Home Assignment :5
Attendance :5
Level of difficulty :100

প্রস্তাৱনাঃ পাশ্চাত্য সাহিত্য তত্ত্বৰ এক পৰিচয়সূচক ধাৰণা গ্ৰহণৰ বাবে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

১। পশ্চিমৰ ধ্ৰুপদী সমালোচনা সাহিত্যৰ বিষয়ে অৱগত হোৱা।

২। ৰোমান্টিকতাবাদৰ পৃষ্ঠভূমি আৰু স্বৰূপৰ বিষয়ে অৱগত হোৱা।

৩। আধুনিকতাবাদ আৰু আধুনিকতাবাদক প্ৰভাৱিত কৰা মতবাদসমূহৰ বিষয়ে অৱগত হোৱা।

৪। সাম্প্ৰতিক সমালোচনাৰ ধাৰাসমূহৰ বিষয়ে অৱগত হোৱা

গোট	বিষয়	নম্বৰ বিতৰণ	মুঠ পাঠদান) ঘণ্টা
১	• ধ্ৰুপদী সাহিত্যৰ সমালোচনা (প্লেটো ,এৰিষ্ট'ট'ল, লনজাইনাচ) • নব্য ধ্ৰুৱবাদ	১৫	১০
২	• ৰোমাণ্টিকতাবাদৰ সামাজিক, ৰাজনৈতিক আৰু বৈজ্ঞানিক পৃষ্ঠভূমি • ৰোমাণ্টিকতাবাদ	১৫	১৬
